# REGIONAL NEWS UNIT
## ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 14-06-2024
**Time :** 0900 Hrs

# *Assamese Morning Bulletin*
**HEADLINES**

১। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ আজি নামৰূপ তাপবিদ্যুৎ কেন্দ্ৰত ২৫ মেগাৱাট বিদুৎ উৎপাদনক্ষম সৌৰশক্তি প্ৰকল্পৰ আধাৰশিলা স্থাপন।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ আজি ইটালীৰ অপুলীয়াত হ'বলগীয়া জি-ছেভেন শীৰ্ষ সন্মিলনত অংশগ্ৰহণ।

৩। অষ্টাদশ লোকসভাৰ প্ৰথম অধিবেশন ২৪ জুনত আৰম্ভ আৰু লোকসভাৰ অধ্যক্ষৰ নিৰ্বাচন ২৬ জুনত অনুষ্ঠিত।

৪। চিকিৎসা বিজ্ঞানৰ স্নাতক পাঠ্যক্ৰমৰ প্ৰবেশ পৰীক্ষাত কেন্দ্ৰৰ গ্ৰেছ নম্বৰ বাতিল।

*আৰু*

৫। আই চি চি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত পাপুৱা নিউগিনিৰ প্ৰথমে বেট ধৰি আফগানিস্তানক ৯৬ ৰানৰ লক্ষ্য নিৰ্ধাৰণ।

০০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি অসম শক্তি উৎপাদন নিগম লিমিটেডৰ অধীনৰ নামৰূপ তাপবিদ্যুৎ কেন্দ্ৰত ২৫ মেগাৱাট বিদুৎ উৎপাদনক্ষম  সৌৰশক্তি প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব। অসম শক্তি উৎপাদন নিগম লিমিটডে আৰু অইল ইণ্ডিয়াৰ যৌথ উদ্যোগত আজি দিনৰ ২ বজাত মুখ্যমন্ত্ৰীগৰাকীয়ে এই আধাৰশিলা স্থাপন কৰিব। এই অনুষ্ঠানত আজি মুখ্যমন্ত্ৰীৰ লগতে শক্তিমন্ত্ৰী নন্দিতা গাৰ্লোছা, সাংস্কৃতিক মন্ত্ৰী বিমল বৰা, বিধায়ক তৰংগ গগৈ, অইল ইণ্ডিয়া লিমিটেড আৰু এ পি ডি চি এলৰ বিষয়ববীয়াসকল উপস্থিত থাকিব। উল্লেখযোগ যে আজি আধাৰশিলা স্থাপন হ'বলগীয়া ২৫ মেগাৱাট সৌৰশক্তি প্ৰকল্পৰ সংযোজনে অসমৰ বিদ্যুৎ ক্ষেত্ৰক এটা নতুন মাত্ৰা প্ৰদান কৰিব বুলি আশা কৰা হৈছে।

০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে আজি ইটালীৰ অপুলীয়াত হ'বলগীয়া জি-ছেভেন আউটৰীচ শীৰ্ষ সন্মিলনত অংশগ্ৰহণ কৰিব। শ্ৰীমোডী  যোৱা নিশা ইটালীৰ প্ৰধানমন্ত্ৰী জিঅ'ৰ্জিয়া মেল'নিৰ নিমন্ত্ৰণ মৰ্মে দুদিনীয়া ভ্ৰমণসূচীৰে ইটালীত উপস্থিত হয়। ভাৰতবৰ্ষক এইবেলি জি-ছেভেন শীৰ্ষ সন্মিলনলৈ আউটৰীচ ৰাষ্ট্ৰ হিচাপে আমন্ত্ৰণ জনোৱা হৈছে। প্ৰধানমন্ত্ৰী মোডীয়ে এই সন্মিলনত ভাগ লোৱাৰ সুযোগতে আজি বিভিন্ন দেশৰ কেইবাগৰাকীও নেতাৰ সৈতে দ্বিপাক্ষিক আলোচনাত মিলিত হ'ব। বিদেশ মন্ত্ৰালয়ৰ মুখপাত্ৰ ৰণধিৰ জয়ছৱালে সামাজিক মাধ্যমযোগে প্ৰকাশ কৰা দ্বিপাক্ষিক বৈঠকৰ সবিশেষ অনুসৰি শ্ৰীমোডীয়ে আজি ফ্ৰান্সৰ ৰাষ্ট্ৰপতি ইমানুৱেল মেক্ৰ', ব্ৰিটেইনৰ প্ৰধানমন্ত্ৰী ঋষি চুনাক, জাৰ্মানীৰ চেন্সেলৰ অ'লাফ স্কোল্জ, ইটালীৰ প্ৰধানমন্ত্ৰী জিঅ'ৰ্জিয়া মেল'নি, জাপানৰ প্ৰধানমন্ত্ৰী ফুমিঅ' কিছিদা আৰু ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি ভ'ল'ডিমিৰ জেলেংস্কিৰ সৈতে দ্বিপাক্ষিক আলোচনাত মিলিত হ'ব।

প্ৰধানমন্ত্ৰীয়ে কালি ইটালীলৈ বুলি ৰাওনা হোৱাৰ পূৰ্বে দিয়া এটা বিবৃতিত কয় যে চৰকাৰ ভাৰত আৰু ইটালীৰ মাজত কৌশলগত সহযোগিতা সুদৃঢ় কৰাৰ লগতে ভাৰত-প্ৰশান্ত মহাসাগৰীয় তথা ভূমধ্য সাগৰীয় অঞ্চলত সহযোগিতা শক্তিশালী কৰি তুলিবলৈ বদ্ধপৰিকৰ। তেওঁ লগতে একেৰাহে তৃতীয় বাৰৰ বাবে প্ৰধানমন্ত্ৰী হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰাৰ

পাছত প্ৰথম বিদেশ ভ্ৰমণৰূপে জি-ছেভেন শীৰ্ষ সন্মিলনত ভাগ লোৱাৰ উদ্দেশ্যে ইটালীলৈ ৰাওনা হোৱাৰ কথাটোলৈ সন্তুষ্টি প্ৰকাশ কৰে। তেওঁ কয় যে যোৱা বছৰত ইটালীৰ প্ৰধানমন্ত্ৰী জিঅ'ৰ্জিয়া মেল'নিৰ দুবাৰকৈ ভাৰত ভ্ৰমণে দেশখনৰ সৈতে দ্বিপাক্ষিক সম্পৰ্কৰ ক্ষেত্ৰত নতুন দিশৰ সূচনা কৰিছে। জি-৭ আউটৰীচ শীৰ্ষ সন্মিলনত কৃত্ৰিম বুদ্ধিমত্তা, শক্তি, আফ্ৰিকা আৰু ভূমধ্য সাগৰীয় অঞ্চলৰ প্ৰসঙ্গই অগ্ৰাধিকাৰ লাভ কৰিব বুলি তেওঁ উল্লেখ কৰে। শ্ৰীমোডীয়ে কয় যে এই ভ্ৰমণে ভাৰতৰ অধ্যক্ষতাত অনুষ্ঠিত জি-২০ শীৰ্ষ সন্মিলন আৰু এইবাৰৰ জি-ছেভেন শীৰ্ষ সন্মিলনৰ ফলাফলৰ ক্ষেত্ৰত অধিক সমন্বয় গঢ়ি তোলা আৰু কম উন্নত দেশৰ বাবে গুৰুত্বপূৰ্ণ বিষয় সম্পৰ্কে আলাপ-আলোচনা কৰাৰ সুযোগ প্ৰদান কৰিব। শ্ৰীমোডীয়ে কয়। যে তেওঁ শীৰ্ষ সন্মিলনত অংশগ্ৰহণ কৰা অন্য নেতাসকলক সাক্ষাৎ কৰিবলৈ আগ্ৰহেৰে বাট চাই আছে।

০০০০০০০

অষ্টাদশ লোকসভাৰ প্ৰথম অধিবেশন ২৪ জুনত আৰম্ভ হ'ব আৰু লোকসভাৰ অধ্যক্ষৰ নিৰ্বাচন ২৬ জুনত অনুষ্ঠিত হ'ব। প্ৰথম অধিবেশনৰ সময়ছোৱাত নৱনিৰ্বাচিত সদস্যসকলক পদ আৰু গোপনীয়তাৰ শপতবাক্য পাঠ কৰোৱা হ'ব। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে লোকসভা আৰু ৰাজ্যসভাৰ যুটীয়া বৈঠকত ভাষণ দিব আৰু এই অধিবেশনৰ সময়ছোৱাতে ৰাষ্ট্ৰপতিৰ অভিভাষণক লৈ আলোচনাও অনুষ্ঠিত হ'ব। ৰাজ্যসভাৰ অধিবেশন ২৭ জুনত আৰম্ভ হ'ব। সংসদৰ অধিবেশন ৩ জুলাইত সামৰণি পৰিব।

০০০০০০

চিকিৎসা বিজ্ঞানৰ স্নাতক পাঠ্যক্ৰমৰ প্ৰবেশ পৰীক্ষা অৰ্থাৎ NEET UGত কেন্দ্ৰই গ্ৰেছ নম্বৰ বাতিল কৰিছে। এই গ্ৰেছ নম্বৰ লাভ কৰা এহেজাৰ ৫৬৩ গৰাকী পৰীক্ষাৰ্থীৰ বাবে পুনৰ পৰীক্ষাৰ আয়োজন কৰিছে। কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে প্ৰকাশ কৰা মতে গ্ৰেছ নম্বৰ লাভ কৰা শিক্ষাৰ্থীসকলে ফলাফল বাতিল কৰাৰ পিছত পুনৰ অহা ২৩ জুনত পৰীক্ষাত অৱতীৰ্ণ হ'ব লাগিব। ইতিমধ্যে কেন্দ্ৰীয় চৰকাৰে উচ্চতম ন্যায়ালয়ক এই কথা অৱগত কৰিছে। এই পৰীক্ষাৰ ফলাফল অহা ৩০ জুনত ঘোষণা কৰা হ'ব। চিকিৎসা বিজ্ঞান পাঠ্যক্ৰমত নামভৰ্তিৰ কাউন্সেলিং ৬ জুলাই পৰ্যন্ত চলি থাকিব। এই সময়ছোৱাৰ মাজতে পুনৰ পৰীক্ষা সম্পন্ন কৰি এই পৰীক্ষাত অৱতীৰ্ণ হোৱা উত্তীৰ্ণ পৰীক্ষাৰ্থিয়ে কাউন্সেলিঙৰ সুযোগ লাভ কৰিব। গ্ৰেছ মাৰ্ক লাভ কৰা এহেজাৰ ৫৬৩ গৰাকী পৰীক্ষাৰ্থীৰ মাজৰ কোনো এজনে পৰীক্ষাত অৱতীৰ্ণ নহয় তেন্তে সেই পৰীক্ষাৰ্থীগৰাকীয়ে গ্ৰেছ মাৰ্ক বাদ দি ফলাফল লাভ কৰিব। উল্লেখযোগ্য যে গ্ৰেছ মাৰ্কক লৈ অনিয়ম হোৱা বুলি বিতৰ্কৰ সৃষ্টি হোৱাৰ পাছতে কেন্দ্ৰীয় শিক্ষামন্ত্ৰালয়ে এই অনিয়মৰ তদন্তৰ বাবে এখন কমিটি গঠন কৰি দিছিল। এই কমিটিয়ে যোৱা ১০, ১১ আৰু ১২ জুনত তদন্ত কৰি দিয়া প্ৰতিবেদনৰ আধাৰতে গ্ৰেছ মাৰ্ক দিয়া ফলাফল বাতিলৰ অনুমোদন জনায়। কমিটিৰ সিদ্ধান্তৰ পিছতেই কেন্দ্ৰীয় চৰকাৰে এহেজাৰ ৫৬৩ গৰাকী পৰীক্ষাৰ্থীৰ পৰীক্ষাৰ ফলাফল বাতিল কৰি পুনৰ পৰীক্ষাৰ আয়োজন কৰে। কেন্দ্ৰীয় চৰকাৰে কালি উচ্চতম ন্যায়ালয়ক এই সন্দৰ্ভত পুনৰ পৰীক্ষাৰ সম্পৰ্কে অৱগত কৰাৰ পিছত উচ্চতম ন্যায়ালয়ে কেন্দ্ৰৰ সিদ্ধান্তক অনুমোদন জনায় এহেজাৰ ৫৬৩ গৰাকী পৰীক্ষাৰ্থীৰ বাহিৰে আন কোনোৱে এই পৰীক্ষাত অৱতীৰ্ণ হ'ব নোৱাৰিব বুলি নিৰ্দেশ দিয়ে। উল্লেখযোগ্য যে নীট পৰীক্ষাত কোনো দুৰ্নীতি আৰু কোনো প্ৰশ্নকাকত ফাদিল হোৱা নাই বুলি কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে এই কথা উল্লেখ কৰাৰ লগতে কোনো লোক যদি এই দুষ্কাৰ্যত জড়িত আছে তেওঁলোকৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি কালি এই কথা তেওঁ স্পষ্ট কৰি দিয়ে।

০০০০০০০০০

দৈনন্দিন জীৱনশৈলী সুস্থ আৰু সুন্দৰ কৰি তোলাৰ বাবে যোগাভ্যাসৰ গুৰুত্ব সমগ্ৰ বিশ্বৰ জনসাধাৰণে উপলব্ধি কৰিছে। ২০১৪ চনত ৰাষ্ট্ৰসংঘত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দিয়া ভাষণত এই বিষয়ে উত্থাপন কৰাৰ পাছতেই ২০১৫ চনৰ ২১ জুনৰ পৰা ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাৰ প্ৰস্তাৱ মৰ্মে আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস উদযাপন আৰম্ভ কৰা হয়। বিশ্বৰ বিভিন্ন দেশে

যোগৰ উপকাৰিতাক মান্যতা দিয়াৰ ফলত আন্তঃৰাষ্ট্ৰীয় স্তৰত যোগৰ গুৰুত্ব অধিক বৃদ্ধি পাইছে। যোগাভ্যাসৰ গুৰুত্ব সন্দৰ্ভত যোগ বিশেষজ্ঞ খনিন ৰয়ে এইদৰে কয়-

-ভইচ কাষ্ট-

ইফালে, দেশৰ অন্যান্য ঠাইৰ লগতে ৰাজ্যৰ বিভিন্ন প্ৰান্তত আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস উদযাপনৰ প্ৰস্তুতি অব্যাহত আছে। মাজুলীৰ কমলাবাৰীৰ বিবেকানন্দ কেন্দ্ৰ বিদ্যালয়ত অহা ১৬ জুনত জিলা পৰ্যায়ৰ যোগ প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। চাৰিটা পৰ্যায়ত অনুষ্ঠিত হ'বলগীয়া এই প্ৰতিযোগিতাত প্ৰথম পৰ্যায়ত ১০ বছৰ বয়সলৈকে, দ্বিতীয় পৰ্যায়ত ১০ৰ পৰা ১৮ বছৰলৈকে, তৃতীয় পৰ্যায়ত ১৮ৰ পৰা ৩৫ বছৰ বয়সলৈকে আৰু চতুৰ্থ পৰ্যায়ত ৩৫ বছৰৰ উৰ্ধৰ ব্যক্তিসকলে অংশগ্ৰহণ কৰিব পাৰিব।

000000000

অসম আৰক্ষীয়ে চাইবাৰ অপৰাধ নিয়ন্ত্ৰণৰ ক্ষেত্ৰত গ্ৰহণ কৰা কঠোৰ ব্যৱস্থাৰ ফলত বিগত চাৰি মাহত ৭৮ লাখতকৈও অধিক ধন অপৰাধীৰ হাতৰ পৰা ওভতাই আনিবলৈ সমৰ্থ হৈছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি সামাজিক মাধ্যম যোগে এই বিষয়ে প্ৰকাশ কৰি এই সফলতাৰ বাবে আৰক্ষীক অভিনন্দন জ্ঞাপন কৰে। শেহতীয়াকৈ আৰক্ষীয়ে দুমাহৰ ভিতৰতে চাইবাৰ প্ৰবঞ্চনাৰ গোচৰ নিস্পত্তি কৰি মহানগৰীৰ এগৰাকী জ্যেষ্ঠ নাগৰিকৰ ১০ লাখ ৫০ হাজৰৰো অধিক ধন প্ৰবঞ্চকৰ হাতৰ পৰা ঘূৰাই আনিবলৈ সমৰ্থ হৈছে বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। তেওঁ লগতে ১৯৩০ ডায়েল কৰি যিকোনো চাইবাৰ প্ৰবঞ্চনাৰ ঘটনাৰ সন্মুখীন হোৱা মাত্ৰেই আৰক্ষীক অৱগত কৰিবলৈ আহ্বান জনায়।

000000000

গুৱাহাটী উচ্চ ন্যায়ালয়ৰ চৌহদ তথা গুৱাহাটী জিলা আদালত চৌহদ সামৰি তাৎক্ষণিকভাৱে কাৰ্যকৰী হোৱাকৈ কামৰূপ মহানগৰ জিলা দণ্ডাধিশে ন' ফ্লাই জ'ন হিচাপে ঘোষণা কৰিছে। এই ব্যৱস্থা পৰৱৰ্তী নিৰ্দেশ নিদিয়ালৈকে বাহাল থাকিব।

000000000

ৰাজ্য চৰকাৰৰ পশু পালন আৰু পশু চিকিৎসা বিভাগে কুকুৰা উদ্যোগৰ বাণিজ্যিকীকৰণৰ বাবে এখন খচৰা প্ৰস্তুত কৰিছে। কুকুৰাৰ মাংসৰ লগতে কণী উৎপাদনৰ ক্ষেত্ৰত ৰাজ্যখনে স্বনিৰ্ভৰশীল হ'ব পৰাকৈ ৰাজ্য চৰকাৰে এই ক্ষেত্ৰত শীঘ্ৰে এখন হাঁহ-কুকুৰা আইন প্ৰণয়ন কৰিবলৈ সাজু হৈছে। দিছপুৰত পশুপালন আৰু পশু চিকিৎসা বিভাগৰ প্ৰধান সচিবৰ কাৰ্যালয়ত অনলাইন মাধ্যমযোগে অনুষ্ঠিত এখন গুৰুত্বপূৰ্ণ বৈঠকত এই বিষয়ে আলোচনা কৰা হয়। বিভাগটোৱে জনোৱা মতে ইতিমধ্যে অসমত কুকুৰা উদ্যোগৰ বাণিজ্যিকীকৰণ নীতি ২০২৪ৰ খচৰা প্ৰস্তুত কৰা হৈছে। এই নীতিৰ আধাৰত মুখ্যমন্ত্ৰীৰ ধ্বজাবাহী আঁচনিৰ জৰিয়তে কণী উৎপাদন বৃদ্ধি লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। এই আঁচনি অনুসৰি কুকুৰাৰ কণী উৎপাদনৰ বাবে বছৰি ২৫ কোটিকৈ টকা ব্যয় কৰা হ'ব। আনহাতে এই আঁচনিৰ অধীনত ৫০ হাজাৰ বা ততোধিক কুকুৰা উৎপাদনকাৰী পালকক ৰাজ সাহাৰ্য প্ৰদান কৰা হ'ব বুলি বিভাগটোৰ এটা সূত্ৰই এই কথা জনাইছে।

000000000

গুৱাহাটী বিশ্ববিদ্যালয়ৰ স্নাতকোত্তৰ নামভৰ্তি প্ৰৱেশ পৰীক্ষা অহা ৯ জুলাইৰ পৰা ১১ জুলাইলৈ অনুষ্ঠিত কৰা হ'ব। অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ মুঠ ১০টা পৰীক্ষা কেন্দ্ৰত এই প্ৰৱেশ পৰীক্ষা অনুষ্ঠিত হ'ব। বিশ্ববিদ্যালয়খনৰ স্নাতকোত্তৰ শ্ৰেণীত নামভৰ্তিৰ বাবে ইচ্ছুক শিক্ষাৰ্থীসকলে এই পৰীক্ষাত অৱতীৰ্ণ হ'বলৈ অনলাইন যোগে আবেদন কৰিব লাগিব। বিশ্ববিদ্যালয়খনৰ শ্ৰেণীসমূহৰ সচিবে জাৰি কৰা জাননী অনুসৰি অহা ১৫ জুনৰ পৰা অনলাইন প'ৰ্টেল যোগে আবেদনৰ প-পত্ৰপূৰণৰ প্ৰক্ৰিয়া আৰম্ভ হ'ব। অহা ২৫ জুনৰ মাজনিশা এই প-পত্ৰ পূৰণৰ প্ৰক্ৰিয়াৰ অন্ত পৰিব।

০০০০০০০০০

কার্বি আংলং জিলাৰ অতিৰিক্ত আয়ুক্ত তথা জিলা টাস্ক ফ’ৰ্চ বিষয়া চন্দন বৰগোহাঁইৰ নেতৃত্বত সমগ্ৰ জিলাখনত শিশু শ্ৰমিকক উদ্ধাৰ আৰু পুনৰ সংস্থাপনৰ বাবে সপ্তাহজোৰা অভিযানৰ কাৰ্যসূচীৰ আৰম্ভ হৈছে। এই অভিযানৰ অংশ হিচাপে জিলাখনৰ বোকাজান  আৰু শুকানজান বজাৰ, হাওৰাঘাট বজাৰ, খটখটী বজাৰ, চিলনীজান আৰু ডকমকা বজাৰ এলেকাত শিশু শ্ৰমিকক উদ্ধাৰ আৰু পুনৰ সংস্থাপনৰ বাবে অহা ২০ জুনলৈ অভিযান চলোৱা হ’ব।

০০০০০০০০

মাজুলী জিলা আয়ুক্তৰ কাৰ্যালয়ত কালি জিলাখনৰ পথ সুৰক্ষাৰ বাবে ল’বলগীয়া পদক্ষেপ সন্দৰ্ভত এখন বৈঠক অনুষ্ঠিত হয়। জিলা আয়ুক্ত ড° কাবেৰী বি শৰ্মা বৈঠকখনত উপস্থিত থাকি ইণ্টিগ্ৰেটেড ৰোড এক্সিডেণ্ট ডাটাবেছত আৰক্ষী, পৰিবহণ, পি ডব্লিউ আৰ ডি আৰু স্বাস্থ্য বিভাগক প্ৰত্যেকটো বাহন দুৰ্ঘটনা নবীকৰণ কৰিবলৈ আৰু প্ৰতিটো দুৰ্ঘটনাৰ তথ্য আই ৰেড এপ্লিকেচনত পঞ্জীয়ন কৰিবলৈ স্বাস্থ্যৰ যৌথ সঞ্চালকক পৰামৰ্শ দিয়ে। বৈঠকত মাজুলী জিলা পৰিবহণ বিষয়া, সহকাৰী বলবৎকাৰী পৰিদৰ্শকক ধৰি আন আন বিভাগীয় বিষয়াসকল উপস্থিত থাকে।

০০০০০০০০

আই চি চি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত আজি পাপুৱা নিউগিনি আফগানিস্তানৰ সন্মুখীন হৈছে। খেলখনত পাপুৱা নিউগিনিয়ে প্ৰথমে বেট ধৰি আফগানিস্তানক ৯৬ ৰানৰ লক্ষ্য বান্ধি দিছে। পাপুৱা নিউগিনিৰ হৈ কে ডৰিগাই সৰ্বাধিক ২৭ ৰানৰ বৰঙণি আগবঢ়োৱাৰ লগতে টি পি ওৱাই  ১১ ৰান সংগ্ৰহ কৰে। বলিঙত আফগানিস্তানৰ হৈ ফজৰুল হক ফাৰুকীয়ে ৪ অ’ভাৰত ১৬ ৰান দি ৩ টা উইকেট দখল কৰাৰ বিপৰীতে নবীন উল হকে ২ অ’ভাৰ ৫টা বলত ৪ ৰান দি দুটা উইকেট আৰু নুৰ আহমেদে ৪ অ’ভাৰত ১৪ ৰান দি এটা উইকেট দখল কৰে। প্ৰত্যুত্তৰত আফগানিস্তানে আমালৈ বাতৰি অহাৰ পৰলৈকে ৩টা উইকেট হেৰুৱাই ৬৭ ৰাণ সংগ্ৰহ কৰি খেলি আছিল।

প্ৰতিযোগিতাৰ আন এখন খেলত আজি আমেৰিকা যুক্তৰাষ্ট্ৰ আয়ৰলেণ্ডৰ সন্মুখীন হ’ব। এই খেলখনত জয়লাভ কৰিলে আমেৰিকা যুক্তৰাষ্ট্ৰই ছুপাৰ-এইট পৰ্যায়ত স্থান লাভ কৰিব আৰু এনে হ’লে পাকিস্তানৰ আশাত চেঁচাপানী পৰিব। আমেৰিকা যুক্তৰাষ্ট্ৰ সম্প্ৰতি প্ৰতিযোগিতাৰ গ্ৰুপ এৰ পইণ্ট তালিকাৰ দ্বিতীয় স্থানত আৰু পাকিস্তান তৃতীয় স্থানত আছে। ভাৰত গ্ৰুপ এৰ শীৰ্ষত আছে।

প্ৰতিযোগিতাৰ নৰ্থ ছাউণ্ড এণ্টিগুৱাৰ চাৰ ভিভিয়ান ৰিছাৰ্ডছ ষ্টেডিয়ামত যোৱানিশা অনুষ্ঠিত এখন খেলত ইংলেণ্ডে ওমানক ৮ উইকেটত পৰাস্ত কৰে। খেলখনত প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি ওমানে ৪৭ ৰাণতে আটাইকেইটা উইকেট হেৰুৱায়। প্ৰত্যুত্তৰত ইংলেণ্ডে অধিনায়ক য’ছ বাটলাৰৰ ২৪ ৰাণৰ সহায়ত ৩ অভাৰ আৰু এটা বলত দুটা উইকেট হেৰুৱাই ৫০ ৰাণ কৰে। খেলখনত ইংলেণ্ডৰ হৈ চাৰিটা উইকেট দখল কৰা আদিল ৰাছিদক প্লেয়াৰ অব দ্য মেচ হিচাপে ঘোষণা কৰা হয়।

ইপিনে, বাংলাদেশে কিংষ্টনৰ ছেইণ্ট ভিনচেণ্টত অনুষ্ঠিত প্ৰতিযোগিতাৰ আন এখন খেলত নেডাৰলেণ্ডছক ২৫ ৰাণত পৰাস্ত কৰে। খেলখনত বাংলাদেশে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত পাঁচটা উইকেটৰ বিনিময়ত ১৫৯ ৰাণ কৰে। প্ৰত্যুত্তৰত নেডাৰলেণ্ডছে নিৰ্ধাৰিত ২০ অভাৰত আঠটা উইকেট হেৰুৱাই ১৩৪ ৰাণহে কৰিবলৈ সমৰ্থ হয়। বাংলাদেশৰ হৈ ৪৬টা বলত ৬৪ ৰাণৰ গুৰুত্বপূৰ্ণ বৰঙণি আগবঢ়োৱা ছাকিব অল হাছানক প্লেয়াৰ অব দ্য মেচ হিচাপে ঘোষণা কৰা হয়।

০০০০০

গুৱাহাটীত কালি ৰাজ্যৰ  চাৰিটা আঞ্চলিক দলে লগ হৈ আঞ্চলিক ঐক্যমঞ্চ গঠন কৰাৰ বাতৰিক **দৈনিক অসম** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। একেটা বাতৰিকে **দৈনিক জনমভূমি** কাকতে **এখন মঞ্চত থিয় হ'ব ৰাজ্যৰ ৪টা আঞ্চলিক দল** শিৰোনামেৰে প্ৰথম পৃষ্ঠাত স্থান দিছে। অৰুণাচল প্ৰদেশত মুখ্যমন্ত্ৰী পেমা খাণ্ডুসহ ১২ জনীয়া বিজেপি মন্ত্ৰীসভাৰ শপতগ্ৰহণৰ বাতৰিক **অসমীয়া প্ৰতিদিন** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। একেটা বাতৰিকে **দৈনিক অগ্ৰদূত** কাকতে **তৃতীয়বাৰৰ বাবে অৰুণাচল প্ৰদেশৰ মুখ্যমন্ত্ৰীৰূপে শপত খাণ্ডুৰ** শিৰোনামেৰে প্ৰথম পৃষ্ঠাত স্থান দিছে।ৰাষ্ট্ৰীয় ঘাইপথৰ দুৰাৱস্থা দূৰ নোহোৱালৈকে ৰহা টোলগেট বন্ধ ৰখাৰ বাবে খুমটাইৰ বিজেপি বিধায়ক মৃণাল শইকীয়াই কেন্দ্ৰীয় পথ পৰিবহন আৰু ঘাইপথ দপ্তৰৰ মন্ত্ৰী নীতিন গাডকাৰিক আহ্বান হোৱাৰ বাতৰিক **আমাৰ অসম** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। কলকাতাৰ নিলাম বজাৰত অসমত উৎপাদিত চিটিচি চাহ প্ৰতি কিলোগ্ৰামত এহেজাৰ পাঁচশ ছয় টকাত বিক্ৰী হৈ অভিলেখ গঢ়াৰ বাতৰিক **অসমীয়া খবৰ** কাকতে প্ৰথম স্থান দিছে। ৰাজ্যৰ কৃষি বিভাগ আৰু অসম কৃষি বিশ্ববিদ্যালয়ে ৰাজ্যখনৰ কৃষি-চাউল খণ্ডত জলবায়ু পৰিৱৰ্তনৰ ফলত সৃষ্টি হোৱা প্ৰভাৱৰ সৈতে যুটীয়াভাৱে যুঁজিবলৈ শক্তিএকত্ৰিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰাৰ বাতৰিক **দ্যা চেন্টিনেল** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। উত্তৰ ছিক্কিমৰ মাংথান জিলাত সংঘটিত ভূমিস্খলনৰ ফলত ছগৰাকী লোক নিহত হোৱাৰ লগতে ১৫ শ পৰ্যটক আৱদ্ধ হৈ পৰাৰ বাতৰিক **দি আছাম ট্ৰিবিউন** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।ৰাজ্যৰ অৰ্থনীতিলৈ বিশেষ অৰিহণা যোগাই খনি আৰু খনিজ সম্পদ বিভাগে ৩৭৯২ কোটিৰ ৰাজহ সংগ্ৰহ কৰাৰ বাতৰিক **নিয়মীয়া বাৰ্তা** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। আজি প্ৰকাশিত কাকতসমূহৰ প্ৰথম পৃষ্ঠাত স্থান লাভ কৰা অন্যান্য বাতৰিসমূহৰ ভিতৰত আছে-

1. অজিত দোভাল পুনৰ ভাৰতৰ ৰাষ্ট্ৰীয় নিৰাপত্তা উপদেষ্টা হিচাপে নিযুক্ত
2. অসমত ৫ দশমিক দুই শূন্য শতাংশ মুদ্ৰাস্ফীতি
3. মৰিগাঁৱত ১২ চাইবাৰ অপৰাধীক গ্ৰেপ্তাৰ
4. কুৱেইটৰ অগ্নিকাণ্ডত নিহত ৪৫ জনেই ভাৰতীয়
5. অম্বুবাচীৰ প্ৰস্তুতি তুংগত- স্কুলৰ পৰীক্ষাত নিষেধাজ্ঞা

এয়াই আছিল আজি প্ৰকাশিত কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

00000

সমাপ্ত